# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-05-2024
**Time :** 13-40 Hrs.

# Assamese Midday Bulletin

## Headlines

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত অহা ৭ মে’ত দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ’ব।

২। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা-নীট কিছুসময়ৰ পাছত আৰম্ভ হ’ব।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি আৰু কাইলৈ বিজুলী ধেৰেকণীৰে ধুমুহা, বৰষুণ হ’ব বুলি আগলি বতৰা দিছে।

৪। সুৰক্ষা বাহিনীয়ে সীমান্তৱৰ্তী পুঞ্চ জিলাত কালি বিয়লি ভাৰতীয় বায়ু সেনা বাহিনীৰ কনভয়ৰ ওপৰত চলোৱা আক্ৰমণৰ ঘটনা সংক্ৰান্তত ৪ জন লোকক আটক কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ’ব।

০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। প্ৰচাৰ অভিযানৰ অন্তিম মুহুৰ্তত সকলো ৰাজনৈতিক দলৰ নেতাই ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

এই পৰ্যায়ত অহা ৭ মে’ত অসমকে ধৰি দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ’ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে

জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি হোৱাত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস হয়।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ ইটাৱা আৰু ধৌৰহৰাত নিৰ্বাচনী সভাক সম্বোধন কৰিব। শ্ৰীমোদীয়ে লগতে বিয়লিৰ ভাগলৈ অযোধ্যা জিলাত এটা ৰোড শ্ব'তো ভাগ ল'ব। ৰোড শ্ব'ৰ পূৰ্বে তেওঁ ৰামললা মন্দিৰত পূজা আগবঢ়াব। শ্ৰীমোদী নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে বিয়লিৰ ভাগলৈ ওড়িশাৰ ভূবনেশ্বৰত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীয়ে নিশাটো ৰাজভৱনত কটাব আৰু কাইলৈ বেৰহামপুৰ আৰু নৱৰংগপুৰ সংসদীয় সমষ্টিত দুটা নিৰ্বাচনী সমাৰেশক সম্বোধন কৰিব।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু ৰাজনাথ সিঙে আজি অন্ধ্ৰপ্ৰদেশত নিৰ্বাচনী প্ৰচাৰত অংশ লব। শ্ৰীশ্বাহে শ্ৰীসত্যসাই জিলাৰ ধৰ্মবৰম সমষ্টিত এন ডি এৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলাব। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে ৱাইএছ আৰ জিলাৰ জম্মলমদুগু আৰু কৰ্ণুল জিলাৰ অদোনিত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী সভাত ভাগ লব।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ তথা উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰসিং ধামীয়ে আজি বাদায়ুঁ জিলাত এটা ৰোড শ্ব'ত অংশ ল'ব। আনহাতে উত্তৰ প্ৰদেশৰ নিৰ্বাচনী দায়িত্বত থকা কংগ্ৰেছ নেতা অবিনাশ পাণ্ডেইয়ে আজি কৌশাম্বিত দলীয় প্ৰাৰ্থিৰ হকে প্ৰচাৰ চলাব।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা, কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন কুমাৰ বৰা, অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, আৰু এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমলকে ধৰি বিভিন্ন দলৰ নেতাসকলে ঠায়ে ঠায়ে নিৰ্বাচনী সভাত অংশ লৈছে। ৰাজ্যখনৰ কেতবোৰ দুৰ্গম এলেকাৰ বাবে নিয়োজিত নিৰ্বাচনী দল নিৰ্বাচনী সামগ্ৰীৰ সৈতে ভোটগ্ৰহণ কেন্দ্ৰলৈ বুলি ৰাওনা হৈছে। তেওঁলোক সন্ধিয়াৰ ভাগত নিজ নিজ কেন্দ্ৰত উপস্থিত হ'ব। ৰাজ্যখনত তৃতীয় পৰ্যায়ত ৮১ লাখৰো অধিক ভোটদাতাই ৪৭ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

দেশৰ আন সমষ্টিৰ লগতে অসমতো তৃতীয় পৰ্যায়ত সামৰি লবলগীয়া চাৰিওটা সমষ্টিতে ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ তীব্ৰ কৰি তুলিছে। তৃতীয় পৰ্যায়ৰ ৪ খন আসনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা-নীট আজি অনুষ্ঠিত হ'ব। এই বছৰ সমগ্ৰ দেশৰ ৫৫৭ খন চহৰ আৰু বিদেশৰ ১৪ খন চহৰৰ বিভিন্ন কেন্দ্ৰৰ জৰিয়তে ২৪ লাখৰো অধিক শিক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ভাৰতীয় মান সময় অনুসৰি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বাজি ২০ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষাৰ্থীসকলক এডমিট বা প্ৰৱেশ কাৰ্ড লৈ যাবলৈ নিৰ্দেশ দিছে।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি আৰু কাইলৈ বিজুলী ধেৰেকনীৰে ধুমুহা, বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বিভাগটোৱে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, ছিকিম,

নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ  ঠাই বিশেষে অহা ৫ দিনত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে উত্তৰ-পশ্চিম আৰু মধ্য ভাৰতত অহা ৫ দিনত সৰ্বোচ্চ তাপমাত্ৰা ২ৰ পৰা ৪ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰিছে। অৱশ্যে দেশৰ বাকী অংশত সৰ্বোচ্চ তাপমাত্ৰাৰ বিশেষ সালসলনি হোৱাৰ সম্ভাৱনা নাই।

০০০

সুৰক্ষা বাহিনীয়ে সীমান্তৱৰ্তী পুঞ্চ জিলাত কালি বিয়লি ভাৰতীয় বায়ু সেনা বাহিনীৰ কনভয়ৰ ওপৰত চলোৱা আক্ৰমণৰ ঘটনা সংক্ৰান্তত ৪ জন লোকক আটক কৰিছে। এই আক্ৰমণত বায়ু সেনা বাহিনীৰ এজন জোৱান শ্বহিদ হৈছিল আৰু ৫ জন আহত হৈছিল। গ্ৰেপ্তাৰ কৰা লোককেইজনে আক্ৰমণৰ সময়ত সন্ত্ৰাসবাদীক সহায় কৰা বুলি সন্দেহ কৰা হৈছে। আক্ৰমণৰ সংঘটিত হোৱাৰ  সময়ত বায়ু সেনা বাহিনীৰ কনভয়টো শশীধৰ বনাঞ্চলৰ পৰা ছনাই টোপ অভিমুখে গৈ আছিল। ৰাষ্ট্ৰীয় ৰাইফলছে আক্ৰমণৰ সৈতে জড়িত সন্ত্ৰাসবাদী সকলক কৰায়ত্ত কৰাৰ বাবে অঞ্চলটোত অভিযান চলাই আছে।

ইপিনে, ভাৰতীয় বায়ু সেনা বাহিনীয়ে আজি সন্ত্ৰাসবাদীৰ সৈতে সংঘটিত গুলিয়াগুলিৰ ঘটনাত কালি প্ৰাণ হেৰুওৱা বীৰ সৈনিক বিক্কি পহাড়েলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। বায়ু সেনাই ছোছিয়েল মিডিয়াযোগে কৈছে যে, বায়ু সেনাৰ মুৰব্বী এয়াৰ মাৰ্ছেল বি আৰ চৌধৰীসহ বাহিনীটোৰ সকলো কৰ্মীয়ে ৰাষ্ট্ৰৰ নামত সৰ্বোচ্চ ত্যাগ কৰা পহাড়েৰ প্ৰতি প্ৰণিপাত জনাইছে।

০০০

কেন্দ্ৰীয় চৰকাৰে খাদ্য সামগ্ৰীত প্ৰয়োগ কৰা কীটনাশকৰ পৰিমাণৰ ক্ষেত্ৰত ভাৰতৰ মানদণ্ড গোলকীয় পৰ্যায়ত আৰু বেলেগ বেলেগ খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত বেলেগ বেলেগ মাত্ৰাত কীটনাশক প্ৰয়োগ কৰা হয় বুলি স্পষ্ট কৰি দিছে। ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক প্ৰাধীকৰণে বনৌষধি আৰু মছলাৰ ক্ষেত্ৰত ১০ গুণ অধিক কীটনাশক প্ৰয়োগৰ অনুমতি প্ৰদান কৰে বুলি দাবী কৰি একাংশ সংবাদ মাধ্যমযোগে  বাতৰি প্ৰচাৰ হোৱাৰ পাছতে কেন্দ্ৰীয় চৰকাৰে  এইদৰে স্পষ্টীকৰণ দিছে। কীটনাশক আইন, ১৯৬৮ ৰ অধীনত গঠন কৰা কেন্দ্ৰীয় কীটনাশক বৰ্ড আৰু পঞ্জীয়ন সমিতিৰ জৰিয়তে কৃষি মন্ত্ৰালয়ে কীটনাশক নিয়ন্ত্ৰণ কৰে। কৃষি মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক প্ৰাধীকৰণৰ কীটনাশক সম্পৰ্কীয় বৈজ্ঞানিক কমিটিয়ে কেন্দ্ৰীয় কীটনাশক পৰিষদ আৰু পঞ্জীয়ন কমিটিৰ জৰিয়তে লাভ কৰা তথ্য চালি জাৰি চায়। কমিটিখনে ভাৰতীয় লোকৰ খাদ্যভ্যাস আৰু বিভিন্ন বয়সৰ লোকৰ কথা বিবেচনা কৰি বিপদ আশংকাৰ মূল্যায়ন কৰাৰ পাছতহে খাদ্য সামগ্ৰীত কীটনাশক প্ৰয়োগৰ পৰামৰ্শ আগবঢ়ায়।

উল্লেখযোগ্য যে ভাৰতত কেন্দ্ৰীয় বৰ্ড আৰু পঞ্জীয়ন সমিতিৰ দ্বাৰা পঞ্জীয়ন কৰা মুঠ কীটনাশকৰ সংখ্যা ২৯৫ তকৈ অধিক আৰু ইয়াৰে ভিতৰত ১৩৯ বিধ কীটনাশক মছলাত ব্যৱহাৰ কৰা হয়।

০০০

চাৰিগৰাকী ভাৰতীয় বক্সাৰে কাজাখস্তানৰ আস্তানাত অনুষ্ঠিত ২২ বছৰৰ অনুৰ্ধৰ এ এছ বি চি এছিয়ান আৰু যুৱ বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এই সফলতাই বিভিন্ন শাখাত ভাৰতীয় বক্সাৰে লাভ কৰা পদকৰ সংখ্যা ৪৩লৈ বৃদ্ধি কৰিলে। আকাশ গোৰখাই যোৱা নিশা ৬০ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত উজবেকিস্তানৰ ইলিয়াছ'ভ ছায়াতক ৫-০ ফলাফলত পৰাস্ত কৰাৰ বিপৰীতে বিশ্বনাথে ৪৮ কিলোগ্ৰাম শাখাত

ফিলিপাইনছৰ বাৰিকুআত্ৰ ব্ৰায়ানক ৫-২ ফলাফলত পৰাস্ত কৰে। একেদৰে নিখিলে ৫৭ কিলোগ্ৰাম শাখাত আৰু প্ৰীতে ৬৭ কিলোগ্ৰাম শাখাত ৫-২ ফলাফলেৰে ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে, ৫১ কিলোগ্ৰাম শাখাত এম. যদুমণি সিং, ৬৩ দশমিক পাঁচ কিলোগ্ৰাম শাখাত অজয় কুমাৰ, ৭১ কিলোগ্ৰাম শাখাত অংকুশ, ৮০ কিলোগ্ৰাম শাখাত ধ্ৰুৱ সিং, ৮৬ কিলোগ্ৰাম শাখাত জুগনু আৰু ৯২ কিলোগ্ৰাম শাখাত যুৱৰাজ ছেমি ফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিব লগা হয়। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাখনত ২৫টা ওজন শাখাত চীন, ভাৰত, কাজাখস্তান আৰু উজবেকিস্তানকে ধৰি ২৪ খনৰো অধিক দেশৰ ৩৯০ৰো অধিক বক্সাৰে অংশগ্ৰহণ কৰিছে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ইপিনে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱা নিশা এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছক ৪ উইকেটত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৪৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৩ অভাৰ আৰু ৪টা বলত ৬টা উইকেটৰ বিনিময়ত ১৫২ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ আৰু ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰান কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ